# অসমীয়া বিভাগ

# নৰ্থ কামৰূপ কলেজ, বাঘমাৰা

## Certificate Course in Creative Writting

## অসমীয়া চুটিগল্প ঃ সামগ্ৰিক বিচাৰ আৰু ৰচনা কৌশল

সাহিত্যৰ বিভিন্ন বিভাগৰ ভিতৰত অন্যতম এটি বিভাগ হ'ল চুটিগল্প। সাম্প্ৰতিক সময়ত সাহিত্যৰ এই ৰূপবিশেষৰ জনপ্ৰিয়তা আৰু সমাদৰ অভাৱনীয়ভাৱে বৃদ্ধি পাইছে। সম্প্ৰতি আধুনিক মানুহৰ কৰ্মব্যস্ততাৰ বাবে কম সময়তে সাহিত্যৰ ৰসাস্বাদন কৰাৰ প্ৰৱণতাৰ বাবে হয়তো বিশ্বৰ বিভিন্ন দেশৰ লগতে অসমতো চুটিগল্পৰ অধ্যয়ন আৰু চৰ্চাৰ প্ৰাসংগিকতা বৃদ্ধি পাইছে।

অসমীয়া চুটিগল্পৰ ধাৰা অতি শক্তিশালী। লক্ষ্মীনাথ বেজবৰুৱাৰ হাতত জন্মলাভ কৰা অসমীয়া চুটিগল্পই পৰবৰ্তী আৱাহন আৰু ৰামধেনু যুগত নিত্য-নতুন সম্পৰীক্ষাৰে নতুন চিন্তা-চেতনা প্ৰবাহিত কৰি অসমীয়া সাহিত্যিক সমৃদ্ধ কৰিছিল।

সাম্প্ৰতিক যুগৰ অসমীয়া চুটিগল্প নিত্য-নতুন সম্পৰীক্ষাৰে ভৰপূৰ হৈ আছে। বিভিন্ন শৈলী আৰু পদ্ধতিৰে ৰচিত হৈছে অলেখ সাৰ্থক চুটিগল্প। আংগিক, বিষয়বস্তু আৰু ৰচনাশৈলীত মূৰ্ত হৈছে অভিনৱত্ব।

অসমীয়া চুটিগল্পৰ তাৎপৰ্য, গুৰুত্বৰ কথা গভীৰভাৱে উপলব্ধি কৰি নৰ্থ কামৰূপ কলেজ, বাঘমাৰাৰ অসমীয়া বিভাগৰ উদ্যোগত অসমীয়া চুটিগল্প বিষয়ক তিনিমহীয়া বিশেষ পাঠ্যক্ৰম প্ৰৱৰ্তন কৰা হৈছে।

আমাৰ আশা, ছাত্ৰ-ছাত্ৰীসকলে এই পাঠ্যক্ৰমত নামভৰ্তি কৰি অসমীয়া চুটিগল্প সম্পৰ্কে বিস্তৃত জ্ঞান লাভ কৰিবলৈ সমৰ্থ হ'ব।

## পাঠ্যক্ৰমৰ লক্ষ্য

- ছাত্ৰ-ছাত্ৰীসকলক অসমীয়া চুটিগল্প সম্পৰ্কে সামগ্ৰিক ধাৰণা প্ৰদান কৰা (বিশেষতঃ বৈশিষ্ট্য, উপাদান, পটভূমি, যুগবিভাজন সম্পৰ্কে)
- চুটিগল্প ৰচনাৰ কৌশল (বিষয়, চৰিত্ৰ, পৰিস্থিতি, দ্বন্দ্ব) সম্পৰ্কে ছাত্ৰ-ছাত্ৰীসকলক অৱগত কৰা।
- বিভিন্ন শৈলী, আংগিকৰ অসমীয়া চুটিগল্পৰ সৈতে ছাত্ৰ-ছাত্ৰীসকলক পৰিচয় প্ৰদান কৰা।
- অসমীয়া সাহিত্যৰ প্ৰখ্যাত গল্পকাৰৰ গল্প পাঠ কৰাৰ বাবে ছাত্ৰ-ছাত্ৰীক প্ৰশিক্ষণ প্ৰদান কৰা।

## পাঠ্যক্ৰমৰ সম্ভাৱনীয়তা

- অসমীয়া চুটিগল্পৰ উদ্ভৱ আৰু বিকাশ সম্পৰ্কে ছাত্ৰ-ছাত্ৰীসকলে পুংখানুপুংখভাৱে জানিব পাৰিব।
- চুটিগল্প ৰচনাৰ কৌশল সম্পৰ্কে ছাত্ৰ-ছাত্ৰীয়ে প্ৰয়োজনীয় জ্ঞান আহৰণ কৰিব পাৰিব।
- ভিন্ন আংগিক আৰু শৈলী আৰু এইবোৰৰ পটভূমি সম্পৰ্কে ছাত্ৰ-ছাত্ৰীয়ে জ্ঞান আহৰণ কৰিব পাৰিব।
- গল্প পাঠৰ নীতি-নিয়ম (উচ্চাৰণ, কণ্ঠস্বৰৰ লয়) সম্পৰ্কে ছাত্ৰ-ছাত্ৰীয়ে বিশদভাৱে জানিব পাৰিব।

## নামভৰ্তিৰ নিয়মাৱলী

- স্নাতক পৰ্যায়ৰ সকলো ছাত্ৰ-ছাত্ৰীয়ে এই পাঠ্যক্ৰমত নামভৰ্তি কৰিব পাৰিব। ইয়াৰ উপৰি স্নাতক ডিগ্ৰীধাৰী আৰু স্নাতকোত্তৰ ডিগ্ৰীধাৰী ছাত্ৰ-ছাত্ৰীয়েও এই পাঠ্যক্ৰমত নামভৰ্তিৰ কাৰণে আবেদন কৰিব পাৰিব। কলা, বিজ্ঞান, বাণিজ্য সকলো শাখাৰ ছাত্ৰ-ছাত্ৰীয়ে এই পাঠ্যক্ৰমত নামভৰ্তিৰ বাবে আবেদন কৰিব পাৰিব।
- ইচ্ছুক ছাত্ৰ-ছাত্ৰীয়ে পাঠ্যক্ৰমৰ সংযোজক (Co-ordinator) লৈ ২০ ফেব্ৰুৱাৰীৰ আগত আবেদন কৰিব পাৰিব।
- পাঠ্যক্ৰমৰ পঞ্জীয়ন মাচুল ২০০ টকা ছাত্ৰ-ছাত্ৰীসকলে আদায় দিব লাগিব।

## পাঠ্যক্ৰমৰ শ্ৰেণীৰ সময় ঃ ৩০ ঘণ্টা

## পাঠ্যক্ৰম

| | | নম্বৰ |
|---|---|---|
| প্ৰথম গোট ঃ | **অসমীয়া চুটিগল্প সম্পৰ্কে সম্যক ধাৰণা**<br>বৈশিষ্ট্য, উপাদান, পটভূমি, যুগবিভাজন | ২০ |
| দ্বিতীয় গোট ঃ | **চুটিগল্প ৰচনাৰ কৌশল**<br>বিষয়, চৰিত্ৰ, পৰিস্থিতি, দ্বন্দ্ব ইত্যাদি | ২০ |
| তৃতীয় গোট ঃ | **অসমীয়া সাহিত্যৰ ভিন্ন ৰূপ-বৈচিত্ৰ্যৰ চুটিগল্পৰ সৈতে পৰিচয়** | ২০ |
| চতুৰ্থ গোট ঃ | **আহি পঠনীয় চুটিগল্প**<br>* ভবেন্দ্ৰ নাথ শইকীয়া 'ঢোৰাসাপ'<br>* সৌৰভ কুমাৰ চলিহাৰ 'অশান্ত ইলেকট্ৰন'<br>* মনোজ কুমাৰ গোস্বামীৰ 'পৰমা আৰু এজাক নিগনি' | ২০ |

## পাঠ্যক্ৰম পৰিচালনা সমিতি (২০২০-২০২১)

উপদেষ্টা ঃ যতীন্দ্ৰ নাথ দাস, ভাৰপ্ৰাপ্ত অধ্যক্ষ

সংযোজক ঃ ড° অজিত কুমাৰ দাস, সহযোগী অধ্যাপক